# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-04-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। বাৰুইপুৰত এটা নিৰ্বাচনী সমাবেশত ভাগ লৈ পশ্চিম বংগত এইবাৰ পৰিৱৰ্তন অৱশ্যাম্ভৱী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি হাওৰাৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ৰাজ্যখনে পাবলগীয়া পুঁজি কেন্দ্ৰীয় চৰকাৰে মুকলি কৰি দিয়া নাই বুলি অভিযোগ তোলে।

৩। ৰাজ্যসভাৰ আপৰ তিনিগৰাকী সাংসদ ৰাঘৱ চাদ্ধা, সন্দীপ পাঠক আৰু অশোক মিট্টালে দল ত্যাগৰ কথা ঘোষণা কৰিছে।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰয়েল ছেলেঞ্জাৰ্চ বাংগালুৰু, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অন্ত পৰাৰ লগে লগে দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাৰ মন আকৰ্ষণৰ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দক্ষিণ চৌবিবশ পৰগনা জিলাৰ বাৰুইপুৰত এটা ৰেলীত ভাগ লৈ পশ্চিম বংগত এইবাৰ পৰিৱৰ্তন অৱশ্যাম্ভৱী বুলি নিশ্চিতভাৱে প্ৰকাশ কৰে। কেইবাখনো জিলাত প্ৰথম পৰ্যায়ৰ ভোটদানৰ ধৰণ লক্ষ্য কৰি শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছৰ জনপ্ৰিয়তা হ্ৰাস পোৱাটোৰেই পৰিলক্ষিত হৈছে বুলি তেওঁ মন্তব্য কৰে। ভোটদাতাসকলক তেওঁলোকৰ এই শক্তি দ্বিতীয় পৰ্যায়তো বৰ্তাই ৰাখিবলৈ আহ্বান জনাই শ্ৰীমোদীয়ে এখন উন্নত বংগ গঠনত আগ-ভাগ ল'বলৈ অনুৰোধ জনায়। প্ৰধানমন্ত্ৰীয়ে শাসনাধিষ্ঠিত দলৰ পৃষ্ঠপোষকতাত ৰাজ্যখনত হোৱা অনুপ্ৰবেশৰ বাবে বহুতো যুৱক-যুৱতী চাকৰি বিচাৰি পশ্চিম বংগৰ বাহিৰলৈ যাবলগীয়া হৈছে বুলি অভিযোগ কৰে। তেওঁ লগতে বৰ্তমানৰ চৰকাৰখন মহিলা বিৰোধী চৰকাৰ বুলি অভিযোগ কৰাৰ উপৰি মহিলাৰ সুৰক্ষাৰ বিষয়টোও ৰাজ্যখনত এটা চিন্তাৰ কাৰণ হিচাপে দেখা দিছে। এই সন্দৰ্ভত যাদৱপুৰ বিশ্ববিদ্যালয়ৰ কথা উল্লেখ কৰি তেওঁ কয় যে প্ৰতিষ্ঠানখনৰ সুৰক্ষা দিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক কাৰ্যকলাপত প্ৰভাৱ পেলোৱাৰ উপৰি বিভিন্ন প্ৰশ্ন উদ্ৰেক কৰিছে। ৰাজ্যখনৰ পিছপৰা সম্প্ৰদায়সমূহৰ বাবে কাম কৰাৰ ক্ষেত্ৰতো ৰাজ্য চৰকাৰখন ব্যৰ্থ হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বিজেপি ক্ষমতালৈ আহিলে এই সম্প্ৰদায়ৰ লোকসকলৰ প্ৰতি সেৱা অব্যাহত থাকিব। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিকে ধৰি ৰাজ্যখনত প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত ১১ লাখ ৰন্ধন গেছৰ সংযোগ স্থাপন কৰা হৈছে বুলিও শ্ৰীমোদীয়ে মন্তব্য কৰে। এই লোকসকলৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে আন ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ লগতে উল্লেখ কৰে। শ্ৰীমোদীয়ে তৃণমূল কংগ্ৰেছক দলিত বিৰোধী দল বুলি অভিহিত কৰি কয় যে ৰাজ্যখনত কেন্দ্ৰীয় কল্যাণমূলক আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰতো চৰকাৰখনে বিভিন্ন সময়ত বাধাৰ সৃষ্টি কৰি আহিছে বুলি উল্লেখ কৰে।

ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি অভিলেখ ভোটদান হয়। এই পৰ্যায়ত ৯২ দশমিক ৮-৮ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পাছত বিজেপিয়ে শক্তিশালী প্ৰদৰ্শনৰ দিশে আগবাঢ়িছে বুলি দাবী কৰিছে। কলকাতাৰ হিংগলগঞ্জত আজি এখন সংবাদমেলত শ্ৰী শ্বাহে কয়, যে বিজেপিয়ে প্ৰথম পৰ্যায়ত ১৫২ খন আসনৰ ভিতৰত ১১০ খনৰো অধিক আসনত জয়লাভ কৰাৰ সম্ভাৱনা আছে। তেওঁ নিৰ্বাচন মুক্ত আৰু নিকাভাৱে অনুষ্ঠিত কৰাটো সুনিশ্চিত কৰাৰ বাবে নিৰ্বাচন আয়োগ তথা সুৰক্ষা বাহিনীসমূহক ধন্যবাদ জনায়। জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে পশ্চিমবংগত এইবাৰ তৃণমূল কংগ্ৰেছৰ অৱসান নিশ্চিত বুলি উল্লেখ কৰি বিজেপিয়ে বিপুল সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিব বুলি উল্লেখ কৰে। শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছে ৰাজ্যখনত দুৰ্নীতি আৰু অপশাসন চলোৱা বুলি উল্লেখ কৰি তেওঁ ৰাজ্যখনত বিজেপি ক্ষমতালৈ আহিলে মহিলাৰ ওপৰত হোৱা সকলো অপৰাধৰ গোচৰ পুনৰ মুকলি কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যখনত চলি থকা বিভিন্ন কৰ-কাটল সংগ্ৰহ অভিযানৰ অন্ত পেলোৱাৰ লগতে বিগত ১৫ বছৰে বন্ধ হৈ থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ কাম-ৰাজ আৰম্ভ কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে। ভোট বেংকৰ ৰাজনীতিয়ে ৰাজ্যখনত অনুপ্ৰৱেশ বৃদ্ধি কৰা বুলিও শ্ৰীশ্বাহে লগতে অভিযোগ কৰে।

ইপিনে, তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি হাওৰাৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰে পশ্চিমবংগই পাবলগীয়া ২ লাখ কোটি টকা মুকলি কৰি দিয়া নাই বুলি অভিযোগ তোলে। শ্ৰীমতী বেনাৰ্জীয়ে তেওঁৰ নেতৃত্বত ৰাজ্যখন নিৰাপদে থকা বুলি দাবী কৰে। তেওঁ লগতে বিজেপিয়ে মণিপুৰ আৰু নয়দাত গুৰুত্ব আৰোপ কৰা উচিত বুলি মন্তব্য কৰে। তৃণমূল কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে আজি হাওৰাৰ জগৎবল্লভপুৰত দলৰ হৈ প্ৰচাৰ চলায়।

০০০০০০০০

ৰাজ্যসভাৰ আপৰ তিনিগৰাকী সাংসদ ৰাঘৱ চাড্ধা, সন্দীপ পাঠক আৰু অশোক মিট্টালে দল ত্যাগৰ কথা ঘোষণা কৰিছে। আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰীচাড্ধাই কয় যে আনকেইগৰাকী সাংসদৰ সৈতে তেওঁ বিজেপিত যোগদান কৰিব। ৰাজ্যসভাত আপৰ দুই-তৃতীয়াংশ সাংসদে শীঘ্ৰেই বিজেপি দলত যোগদান কৰিব বুলি তেওঁ প্ৰকাশ কৰে। দুৰ্নীতি অন্ত পেলোৱাৰ প্ৰতিশ্ৰুতিৰে গঠন হোৱা আম আদমী পাৰ্টী বৰ্তমান দুৰ্নীতিগ্ৰস্ত বুলি শ্ৰীচাড্ধাই অভিযোগ উত্থাপন কৰে। শ্ৰীচাড্ধাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ বাবে কাম কৰিবলৈ তেওঁ আগ্ৰহী।

০০০০০০০০০

অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰাম মোহন নাইডুৱে আজি অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ৰ দ্বাৰা অনুমোদিত উৰণ প্ৰশিক্ষণ সংস্থা চমুকৈ এফ টি অ'ৰ দ্বিতীয় পৰ্যায়ৰ ক্ৰমতালিকা মুকলি কৰে। বিগত বছৰৰ ১ অক্টোবৰত ক্ৰমতালিকাৰ প্ৰথম পৰ্যায় মুকলি কৰা হৈছিল। অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে কয় যে এফ টি অ' ৰেংকিং ব্যৱস্থাই প্ৰশিক্ষণৰ মান শক্তিশালী কৰাৰ লগতে সুৰক্ষা বৃদ্ধি কৰে। এই পদক্ষেপে দেশত পাইলট প্ৰশিক্ষণৰ আন্তঃগাঁথনি বিকাশত বিশেষ ভূমিকা পালন কৰিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে। শ্ৰীনাইডুৱে কয় যে দেশত এফ টি অ' ৰেংকিং ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত পাইলটসকলৰ প্ৰশিক্ষণ প্ৰক্ৰিয়া অধিক স্বচ্ছ হৈ উঠিছে আৰু যুৱ প্ৰজন্মৰ বাবেও আকৰ্ষণীয় হৈ পৰিছে।

০০০০০০০০০

হাৰিয়ানাৰ নুহ জিলাত নলা চাফা কৰি থকা অৱস্থাত দুগৰাকী অনাময় কৰ্মীৰ মৃত্যু আৰু আন এগৰাকী আহত হোৱা ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে নুহ জিলাৰ পৌৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকলৈ জাননী জাৰি কৰিছে। আয়োগে দুসপ্তাহৰ ভিতৰত সমগ্ৰ ঘটনাৰ বিস্তৃত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ৰ লগতে বিভাগীয় কৰ্তৃপক্ষই অনাময় কৰ্মীসকলৰ বাবে নলা চাফা

কৰাৰ বাবে কেতবোৰ সামগ্ৰী বা যন্ত্ৰৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ পাছতো সমগ্ৰ দেশতে এনে ধৰণৰ ঘটনা সংঘটিত হোৱাত মানৱ অধিকাৰ আয়োগে উদ্বেগ প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য অভিযান্ত্ৰিক বিভাগৰ ঠিকাদাৰে সুৰক্ষা সামগ্ৰী ব্যৱহাৰ নকৰাকৈ নলা চাফা কৰিবৰ বাবে তিনিগৰাকী শ্ৰমিকক নিয়োগ কৰিছিল।

মহাৰাষ্ট্ৰৰ নন্দেড় জিলাৰ ইছলামপুৰ অঞ্চলৰ এটা নলাৰ সমীপৰ দ' গাতত পানীত ডুব গৈ চাৰিটি শিশুৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে জিলাখনৰ আয়ুক্ত, পৌৰ নিগম, জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকলৈ জাননী জাৰি কৰিছে। আয়োগে দুসপ্তাহৰ ভিতৰত ঘটনাৰ সবিশেষ তথ্যসহ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে নলা নিৰ্মাণ কৰি থকা সময়ত ওচৰতে থকা গাঁতত পানী জমা হৈ এই ঘটনা সংঘটিত হৈছিল।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooooooo

চৰকাৰে ২০২৫-২৬ বৰ্ষত অনুসূচিত জাতিৰ শিক্ষাৰ্থীসকলৰ শিক্ষা আৰু সবলীকৰণৰ বাবে ৭ হাজাৰ ৯৮১ কোটি টকা মোকলাই দিছে। চৰকাৰ কল্যাণমূলক আঁচনিৰ জৰিয়তে সকলো স্তৰৰ লোকৰ সৰ্বাত্মক উন্নয়ন আৰু সামাজিক ন্যায় প্ৰদানৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে মত প্ৰকাশ কৰে। তেওঁ কয় যে সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে শৈক্ষিক ক্ষেত্ৰখন শক্তিশালী কৰাৰ লগতে অনুসূচিত জাতিৰ শিক্ষাৰ্থীসকলৰ হিতাৰ্থে কেইবাখনো আঁচনি ৰূপায়ণ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে কল্যাণমূলক কাৰ্যসূচীসমূহৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ বিশেষকৈ অন্যান্য পিচপৰা শ্ৰেণী, জ্যেষ্ঠ নাগৰিক, তৃতীয় লিংগৰ ব্যক্তি, অনাময় কৰ্মী আৰু আৰ্থিকভাৱে পিচপৰা শ্ৰেণীৰ উন্নয়নৰ বাবে কাম কৰি থকা হৈছে। অনুসূচিত জাতি কল্যাণ আঁচনিৰ অধীনত অনুসূচিত জাতি আৰু অন্যান্য শিক্ষাৰ্থীৰ বাবে প্ৰি-মেট্ৰিক জলপানি ২১ শতাংশলৈ বৃদ্ধি কৰা হৈছে বুলিও মন্ত্ৰী ড০ কুমাৰে উল্লেখ কৰে।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ooooooooo

সমাপ্ত